# টুৰিজিম মেনেজমেণ্ট পাঠ্যক্রম আৰু নিয়োগৰ সুবিধা

হিমাদ্রী বৰ্মণ

ব্যৱস্থাপনা অধ্যয়ন কেন্দ্ৰ, ডিব্ৰুগড় বিশ্বিবিদ্যালয়

*[Manuscript of the talk to be broadcasted over All India Radio, Dibrugarh on December 21, 2010]*

আজিৰ যুগটো হৈছে প্ৰতিযোগিতাৰ যুগ আৰু সেইকাৰণে ছাত্ৰ-ছাত্ৰীসকলে যদি আগতীয়াকৈ তেওঁলোকৰ কৰ্মজীৱন বা কেৰিয়াৰৰ পৰিকল্পনা নকৰে তেনেহ'লে পাছলৈ যথেষ্ট সমস্যাৰ সন্মুখীন হ'ব পাৰে। কৰ্মজীৱনৰ সঠিক সিদ্ধান্ত গ্ৰহণ আৰু সঠিক কেৰিয়াৰ পৰিকল্পনা জীৱনৰ এটা অতিশয় প্ৰয়োজনীয় কথা। বৰ্তমান দেশৰ অৰ্থনৈতিক আৰু প্ৰযুক্তিৰ বিকাশৰ লগে লগে ন ন কেৰিয়াৰৰ সম্ভাৱনা মুকলি হৈছে। এই পটভূমিত ছাত্ৰ-ছাত্ৰীয়ে পৰ্যটনব্যৱস্থাপনা বা টুৰিজিম মেনেজমেণ্টত নিজৰ কেৰিয়াৰ গঢ়াৰ কথা ভাবিব পাৰে।

পৰ্যটন হৈছে অৱসৰ বিনোদন বা ব্যৱসায়িক কাৰণত কৰা ভ্ৰমণ। পৰ্যটন ব্যৱস্থাপনা বা টুৰিজিম মেনেজমেণ্ট এনে এটি পাঠ্যক্ৰম যাৰ দ্বাৰা পৰ্যটনক পেশা হিচাপে ল'ব খোজা ছাত্ৰ-ছাত্ৰীক পৰ্যটন সম্বন্ধীয় জ্ঞান আৰু প্ৰশিক্ষণ দিয়া হয়। পৰ্যটন পাঠ্যক্ৰমবোৰ ছয় মহীয়া প্ৰমাণ পত্ৰৰ পৰা দুই বছৰীয়া স্নাতকোত্তৰ ডিগ্ৰী বা ডিপ্ল'মা পৰ্যায়ৰ হয়। যি সকলে পৰ্যটন বিষয়ক পাঠ্যক্ৰম কৰিব বিচাৰে, তেওঁলোকে শ্ৰেণী কোঠাৰ পঢ়াৰ বাহিৰেও কোনো পৰ্যটন বা পৰিবহন সংস্থাত এক নিৰ্দিষ্ট সময়ৰ প্ৰশিক্ষণ ল'ব লাগে । পৰ্যটন পাঠ্যক্ৰমবোৰত সাধাৰণতে ইতিহাস, স্থাপত্য আৰু ভৌগোলিক পৰিৱেশ সম্পৰ্কে জ্ঞান, কলা-কৃষ্টি, প্ৰযুক্তিবিদ্যা, হিচাপ নিকাচ আদিৰো জ্ঞান দিয়া হয়। লগতে দিয়া হয় পৰিৱেশ, জীৱ-জন্তু সম্বন্ধে প্ৰাথমিক জ্ঞান, প্ৰাথমিক চিকিৎসা সম্পৰ্কে জ্ঞান, ভ্ৰমণ সম্বন্ধীয় বিভিন্ন জ্ঞান ইত্যাদিও। ই নিৰ্ভৰ কৰে পাঠ্যক্ৰমৰ ওপৰত। কিছুমান পাঠ্যক্ৰমত বিদেশী ভাষাৰো জ্ঞান দিয়া হয়।

পৰিসংখ্যা অনুযায়ী সমগ্ৰ বিশ্বতে এতিয়া আটাইতকৈ ডাঙৰ শিল্প হ'ল পৰ্যটন বা টুৰিজম। এই শিল্পত প্ৰত্যক্ষ বা পৰোক্ষভাৱে যিমান লোক জড়িত, আন কোনো শিল্পতে সম্ভৱতঃ সেয়া নাই। ভাৰত বা অসমো ইয়াৰ ব্যতিক্ৰম নহয়। বৰ্তমান সময়ত পৰ্যটন শিল্পৰ প্ৰসাৰ ক্ৰমশঃ বাঢ়ি আহিছে আৰু ভৱিষ্যতেও বাঢ়ি থাকিব। সেয়ে এই শিল্পত নিযুক্তি পোৱাৰ সম্ভাৱনা উজ্জ্বল। পৰ্যটন এনে এক বৃত্তি, য'ত যিকোনো লোকেই যোগ দিব পাৰে। এই বৃত্তিয়ে কোনো ব্যক্তিক বিভিন্ন ধৰণৰ ঠাইত নিজৰ কৰ্ম জীৱন আৰম্ভ কৰাৰ সুবিধা দিব পাৰে। যেনে - হোটেল, ৰিজৰ্ট, ৰেষ্টুৰেণ্ট, বিমান সংস্থা, ভ্ৰমণ সংস্থা, চৰকাৰী পৰ্যটন বিভাগ, ইত্যাদি। এই বৃত্তি গ্ৰহণ কৰি কোনো ব্যক্তিয়ে নিজেই ট্ৰেভেল এজেন্সি আদি খুলি কৰ্ম সংস্থানৰ বাট উলিয়াই ল'ব পাৰে। বহুতে ইচ্ছা কৰিলে টুৰিষ্ট গাইডো হ'ব পাৰে।

টুৰিজিম বৃত্তিয়ে দিয়ে ভাল উপাৰ্জনৰো আহিলা। অভিজ্ঞতা আৰু আন যোগ্যতা যেনে- কথিত আৰু লিখিত ভাষাৰ ওপৰত দক্ষতা, চাকৰিৰ ঠাই (যেনে দেশত নে বিদেশত), চৰকাৰী নে বেচৰকাৰী চাকৰি, কেনে সংস্থাত চাকৰি কৰিছে— এই আটাইবোৰে উপাৰ্জনৰ ওপৰত প্ৰভাৱ পেলায়। আন বহুতো সুবিধা পোৱা যায়, যেনে— নিঃশুল্ক ঘূৰা-ফুৰা, খোৱা, ইত্যাদি নিজৰ লগতে পৰিয়ালৰ লোকৰ কাৰণেও। বহু নতুন ঠাইলৈ যোৱাৰ লগতে, বহু নতুন মানুহক লগ পোৱাৰো সুযোগ পোৱা যায়।

ভাৰতৰ বিভিন্ন শিক্ষায়তনত পৰ্যটন ব্যৱস্থাপনাৰে শিক্ষা প্ৰদান কৰা হয়। এতিয়া ভাৰতৰ প্ৰায়বোৰ বিশ্ববিদ্যালয়তে পৰ্যটন বিষয়ক পাঠ্যক্ৰম পঢ়াৰ সুবিধা আছে। ভাৰতৰ ভিতৰতে এক লেখত ল'বলগীয়া পৰ্যটন সম্বন্ধীয় শিক্ষানুষ্ঠান হৈছে 'ইণ্ডিয়ান ইনষ্টিটিউট অব্ টুৰিজিম এণ্ড ট্ৰেভেল মেনেজমেণ্ট'(IITTM)। এই শিক্ষানুষ্ঠানৰ চৌহদ গোৱালিয়ৰ, ভুৱনেশ্বৰ আৰু দিল্লীৰ কাষত থকা নয়দাত আছে। তেওঁলোকে দুবছৰীয়া স্নাতকোত্তৰ ডিপ্ল'মা পাঠ্যক্ৰমৰ বাহিৰে তিনি বছৰীয়া স্নাতক পাঠ্যক্ৰমো আগবঢ়ায়। এওঁলোকৰ পাঠ্যক্ৰমৰ চাহিদা যথেষ্ট বেছি আৰু সেই কাৰণে ইয়াত নামভৰ্তিৰ কাৰণে প্ৰৱেশ পৰীক্ষাত বহিব লাগে। IITTM ভাৰত চৰকাৰৰ পৰ্যটন মন্ত্ৰণালয়ৰ এক স্বায়ত্ত শাসনযুক্ত (autonomous) অনুষ্ঠান। ইয়াৰ পাঠ্যক্ৰমবোৰৰ বিষয়ে অধিক জানিবৰ কাৰণে তেওঁলোকৰ বেৱচাইত iittm.org চাব পাৰে।

অসমতো পৰ্যটন পাঠ্যক্ৰম পঢ়াৰ যথেষ্ট সুবিধা আছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ব্যৱস্থাপনা অধ্যয়ন কেন্দ্ৰত (Centre for Management Studies) এবছৰীয়া স্নাতকোত্তৰ ডিপ্লমা পাঠ্যক্ৰম আছে। এই পাঠ্যক্ৰম আৰম্ভ কৰা হৈছিল ২০০৬ চনত। এই পাঠ্যক্ৰমত নামভৰ্তিৰ কাৰণে যিকোনো শাখাৰ স্নাতক হ'ব লাগে আৰু ন্যূনতম ৪০ শতাংশ নম্বৰ পাব লাগে। প্ৰবেশ পৰীক্ষাৰ আৰু সাক্ষাৎকাৰৰ দ্বাৰা প্ৰাৰ্থী বাচনি কৰা হয়। সাধাৰণতে মে'-জুন মাহত নামভৰ্তিৰ জাননী ওলায়। তথ্যৰ বাবে চাব পাৰে তেওঁলোকৰ ৱেব চাইত cmsdu.org। তেজপুৰ বিশ্ববিদ্যালয়তো এবছৰীয়া স্নাতকোত্তৰ ডিপ্লমা পাঠ্যক্ৰম আছে আৰু নামভৰ্ত্তিৰ কাৰণে যিকোনো শাখাত স্নাতক হ'লেই হ'ল। এই পাঠ্যক্ৰমত সাক্ষাৎকাৰৰ জৰিয়তে প্ৰাৰ্থী নিৰ্বাচন কৰা হয়। অধিক তথ্যৰ বাবে তেওঁলোকৰ ৱেবচাইট www.tezu.ernet.in চাব পাৰে। তেজপুৰ বিশ্ববিদ্যালয় কেন্দ্ৰীয় বিশ্ববিদ্যালয় হোৱা বাবে, তাৰ সা-সুবিধা যথেষ্ট ভাল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত প্ৰাগজ্যোতিষ কলেজ আৰু জাগীৰোড কলেজত দুই বছৰীয়া মাষ্টাৰ অব টুৰিজিম মেনেজমেণ্ট পাঠ্যক্ৰম চলি আছে। এই পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে স্নাতক হোৱা প্ৰয়োজন। গুৱাহাটীস্থ আসাম ইনষ্টিটিউট অব্ মেনেজমেণ্টতো এক এবছৰীয়া স্নাতকোত্তৰ ডিপ্ল'মা পাঠ্যক্ৰম চলি আছিল যদিও বৰ্তমান বন্ধ হৈ আছে। তেওঁলোকৰ মতে অতি শীঘ্ৰে এই পাঠ্যক্ৰম পুনৰ আৰম্ভ কৰা হ'ব।

উল্লিখিত শিক্ষানুষ্ঠানসমূহৰ বাহিৰে অসমৰ বিভিন্ন মহাবিদ্যালয় সমূহতো ছয় মহীয়া বা এবছৰীয়া পৰ্যটন প্ৰমাণ পত্ৰৰ পাঠ্যক্ৰম চলি আছে। বহুতো বেচৰকাৰী শিক্ষা প্ৰতিষ্ঠানেও বিভিন্ন ধৰণৰ পৰ্যটন বিষয়ক পাঠ্যক্ৰম চলাই আছে। যিসকল ছাত্ৰ-ছাত্ৰী এই বেচৰকাৰী শিক্ষা প্ৰতিষ্ঠানসমূহত নামভৰ্ত্তিৰ বাবে ইচ্ছুক, তেওঁলোকে পাঠ্যক্ৰম আৰু শিক্ষা অনুষ্ঠানৰ বিষয়ে ভালকৈ খা-খবৰ কৰিহে নামভৰ্ত্তি কৰা উচিত।

যিসকল লোকৰ কাৰণে নিয়মীয়া শিক্ষা লোৱা সম্ভৱ নহয় তেওঁলোকে 'ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুকলি বিশ্ববিদ্যালয' (IGNOU) বা একেধৰণৰ আন শিক্ষা অনুষ্ঠানৰ পৰা ডাক যোগে বিভিন্ন ধৰণৰ পৰ্যটন সম্বন্ধীয় চাৰ্টিফিকেট, ডিপ্ল'মা বা ডিগ্ৰী পাঠ্যক্ৰমত নামভৰ্তি কৰি শিক্ষা গ্ৰহণ কৰিব পাৰে। কোনো কোনো পাঠ্যক্ৰমত শ্ৰেণীকোঠাত শিক্ষা প্ৰদানৰ ব্যৱস্থা থাকে যদিও ইয়াৰ কোনো কঠোৰ নিয়ম নাথাকে। কেতবোৰ পাঠ্যক্ৰমৰ বাবে কাম কৰাৰ অভিজ্ঞতাৰ আৰশ্যক। প্ৰায়বোৰ পাঠ্যক্ৰমতে বয়সৰ ঊৰ্ধ্বতন সীমা (upper age limit) নিৰ্ধাৰণ কৰা নাথাকে। IGNOU ৰ পাঠ্যক্ৰমৰ বিষয়ে জানিবলৈ তেওঁলোকৰ ৱেবচাইট www.ignou.ac.in চাব পাৰে।

ভাৰত চৰকাৰ আৰু অসম চৰকাৰেও কিছুমান পাঠ্যক্ৰম চলাই সাধাৰণতে প্ৰশিক্ষণৰ আৰ্হিত। এই ধৰণৰ প্ৰশিক্ষণ লোৱা সকলক বহু সময়ত ভাট্টাও (stipend) আগবঢ়োৱা হয়। এই প্ৰশিক্ষণ সমূহৰ খবৰ বিজ্ঞাপন যোগে প্ৰকাশ কৰা হয় বিভিন্ন বাতৰি কাকতত।

এই চমু আলোচনা শেষ কৰাৰ আগতে, পৰ্যটন বৃত্তিৰ সম্পৰ্কত কেইটামান কথা কোৱা অপৰিহাৰ্য। এই বৃত্তিত সফলতা লাভ কৰিবলৈ হ'লে কঠোৰ শাৰীৰিক আৰু মানসিক পৰিশ্ৰম কৰিব পৰা ক্ষমতা থাকিব লাগিব, কাৰণ বছৰটোৰ ৩৬৫ দিনেই কাম কৰিব লগা হ'ব পাৰে। তাৰ উপৰিও লাগিব যিকোনো পৰিস্থিতিৰ সন্মুখীন হ'ব পৰা উপস্থিত বুদ্ধি আৰু ক্ষমতা। পৰ্যটন সম্পৰ্কে জ্ঞান আহৰণৰ হেঁপাহ, মাৰ্জিত ব্যৱহাৰ, ফুৰা-চকা কৰি ভাল পোৱা আৰু মানুহৰ লগত চা-চিনাকি হৈ আৰু কথা-বতৰা কৈ ভাল পোৱা ব্যক্তিত্ব। উল্লেখ কৰা গুণ সমূহ থাকিলে পৰ্যটন বৃত্তিয়ে দিব পাৰে এক সুখৰ কৰ্মজীৱন আৰু সন্তুষ্টিৰে ভ ৰা কেৰিয়াৰ।